## গৌহাটি উচ্চ ন্যায়ালয়

## (অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**ফৌজদাৰী আপীল নং. ২৬৪/২০২২**

মঃ ছমেদ আলী, পিতা: প্ৰয়াত মোঃ ইছমত আলী,

বয়স প্ৰায় ৫২ বছৰ, গাঁও– ৰাজাগধুৰা, থানা: লাহৰিঘাট

জিলা মৰিগাঁও, অসম................ আপীলকাৰী

বনাম

অসম ৰাজ্য, লোক অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা

২) মজিবুৰ ৰহমান, পিতা: ছামছুদ্দিন

গাঁও– ৰাজাগধুৰা, থানা: লাহৰিঘাট

জিলা মৰিগাঁও, অসম। ...............প্ৰতিপক্ষগণ

## সন্মানীয় ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ আদালত

আপীলকাৰীৰ হৈ : শ্ৰীযুত এম. এ শেইখ, অধিবক্তা

প্ৰতিপক্ষগণৰ হৈ : শ্ৰীযুত এম. পি. গোস্বামী, অতিৰিক্ত লোক অধিবক্তা

শুনানিৰ তাৰিখ : ০৩.০৫.২০২৪

ৰায়দানৰ তাৰিখ : ২২.০৫.২০২৪

**ৰায় আৰু আদেশ (সিএভি)**

১) আপীলকাৰীৰ বিদ্বান অধিবক্তা শ্ৰীযুত এম. এ শেইখ, আৰু অসম ৰাজ্যৰ হৈ হাজিৰ হোৱা বিদ্বান অতিৰিক্ত লোক অধিবক্তা শ্ৰীযুত এম. পি. গোস্বামীক শুনা হ'ল।

২) **প্ৰত্যাহ্বানঃ**

I. মৰিগাঁৱৰ বিদ্বান সত্ৰ ন্যায়াধীশে সত্ৰ গোচৰ নং৩৬/২০১৩ত ১৩/০৯/২০২২ তাৰিখৰ ৰায়ৰ জৰিয়তে আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৪ৰ অধীনত ১০ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ড আৰু লগতে ২০,০০০/ টকা জৰিমনা আৰু জৰিমণা অনাদায়ে ৬ মাহৰ অতিৰিক্ত সাধাৰণ কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩৩৪ৰ অধীনত ৫০০ টকা জৰিমণা আৰু জৰিমণা অনাদায়ে এক মাহৰ সাধাৰণ কাৰাদণ্ডৰে দণ্ডিত কৰা ৰায়ক প্ৰত্যাহ্বান জনাই এই আপীল দাখিল কৰিছে।

II) উক্ত ৰায়ৰ জৰিয়তে আঠজন আচামীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩৩৪ৰ অধীনত ৫০০ টকা জৰিমণা বিহে। বিচাৰ আদালতে অন্য ১৪ জন আচামীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১৪৭/১৪৮/১০২B/৩৪১/৩২৩/ ৩২৫/৩০২ৰ অধীনত বিচাৰ কৰি খালাচ দিয়ে। মৰ্মুজ অলি নামৰ এজন আচামী বিচাৰকালীন অৱস্থাত মৃত্যু হয়।

৩। <u>গোচৰীয়া পক্ষৰ অভিযোগৰ বিৱৰণ:</u>

I. গোচৰীয়া পক্ষৰ অভিযোগৰ চমু বিৱৰণ এই যে, ৩০.১২.২০১১ তাৰিখে মো: মজিবুৰ ৰহমানে লাহোৰিঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত এখন এজাহাৰ দাখিল কৰি অভিযোগ কৰে যে ৩০.১২.২০১১ তাৰিখে পুৱা প্ৰায় ৮.০০ বজাত এজাহাৰত উল্লেখিত ১৯ জন আচামীয়ে চক্ৰান্তমূলকভাৱে হাতত দা, যাঠি, লাঠি আদি লৈ এটা ৰাস্তাক কেন্দ্ৰ কৰি গোচৰীয়াৰ মাটিত আহি গোচৰীয়াৰ পিতৃ অৰ্থাৎ ছামছুদ্দিনক চোকা বস্তুৰে আক্ৰমণ কৰি গুৰুতৰভাৱে আঘাত কৰে। এনে ঘটনাৰ কথা জানিব পাৰি গোচৰীয়াৰ আন ভাতৃসকল– ছাইফুল ইছলাম, মকবুল, নজৰুল, খাজুল ইছলাম, দুলাল (মৃত্যুক) খুৰা আব্দুল হেকিম, ভতিজা ইক্ৰামুল হুছেইন আৰু ভতিজা নুৰুল ঘটনাস্থলীত গৈ দেখা পায় যে আচামীসকলে তেওঁলোকক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি গুৰুতৰভাৱে জখম কৰিছে।

II. এজাহৰ পাই লাহৰীঘাট থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৭/ ১৪৮/ ১২০বি/৩২৬/৩২৫/৩৭৯ৰ অধীনত গোচৰ নং ১৮১/২০১১ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰা হয়। পৰৱৰ্তী সময়ত গোচৰীয়াৰ আহত ভাতৃ অৰ্থাৎ দুলাল উদ্দিনৰ

০১.০১.২০১২ তাৰিখে চিকিৎসাধীন অৱস্থান মৃত্যু হয় আৰু সেই অনুসৰি ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ গোচৰটোত সংযোজন কৰা হয়।

III. তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত তদন্তকাৰী বিষয়াই বৰ্তমানৰ আপীলকাৰীকে ধৰি ২৪ নম্বৰ অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। উক্ত অভিযোগনামাৰ ভিত্তিত বিদ্বান অধিবেশন ন্যায়াধীশে ভাৰতীয় দণ্ডবিধি আইনৰ ১২০বি/ ৩৪১/ ৩২৩/৩২৫/৩০২ ধাৰাত অভিযোগ উত্থাপন কৰে। যিহেতু আপীলকাৰীয়ে নিজকে দোষমুক্ত বুলি দাবী কৰে সেয়ে বিষয়টো বিচাৰৰ বাবে আগবাঢ়ে।

IV. IV. বিচাৰৰ সময়ত, অভিযুক্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ প্ৰমাণ কৰিবলৈ গোচৰীয়া পক্ষই ১৬জন সাক্ষীৰ পৰীক্ষা কৰিছিল। চি আৰ পি চি- ধাৰা ৩১৩ ৰ অধীনত লিপিবদ্ধ কৰা জবানবন্দিত, অভিযুক্তজনে তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা সকলোবোৰ আভিযোগ অস্বীকাৰ কৰে। প্ৰতিপক্ষই চাৰিজন সাক্ষীক পৰীক্ষা কৰিছিল।

V. গোচৰীয়া পক্ষৰ দ্বাৰা নথিত উপলব্ধ সামগ্ৰীসমূহ বিবেচনা কৰাৰ পিছত বিদ্বান বিচাৰ আদালতে নিম্নলিখিত সিদ্ধান্তত উপনীত হয়:

i. গোচৰটো হৈছে এটা পথক কেন্দ্ৰ কৰি দুয়োপক্ষৰ মাজত হোৱা মাৰপিট যিহেতু উক্ত পথটো দুয়োপক্ষই দাবী কৰিছিল। প্ৰাথমিকভাৱে অভিযুক্ত পক্ষৰ বিতৰ্কিত ভূমিৰ ওপৰত অধিকাৰ আছে; কিন্তু স্পষ্টভাৱে দেখা যায় যে গোচৰীয়া পক্ষই দখলৰ অধিকাৰ উলংঘন কৰা আক্ৰমণকাৰী আছিল।।

ii) যদিও অভিযুক্ত পক্ষৰ নিজৰ সম্পত্তি ৰক্ষা কৰাৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ আছিল কিন্তু স্পষ্টভাৱে অভিযুক্ত পক্ষই আইনটো নিজৰ হাতত লৈছিল এই কথা ভালদৰে জানি যে একে বিবাদৰ পৰা উদ্ভৱ হোৱা দেৱানী গোচৰ মৰিগাঁৱৰ জিলা ন্যায়াধীশৰ আদালত বিচাৰাধীন হৈ আছে। অভিযুক্ত পক্ষই তেওঁলোকৰ অধিকাৰ অতিক্ৰম কৰিছিল।

iii. আপীলকাৰী/অভিযুক্তই মৃত দুলাল উদ্দীনক তেওঁৰ গুৰুত্বপূৰ্ণ অংগ অৰ্থাৎ মূৰত শাৰীৰিকভাৱে আঘাত কৰে কৰিছিল। এনে আক্ৰমণ আই. পি. চি.-ৰ ধাৰা ৩০০-ৰ ব্যতিক্ৰম ২ আৰু ৩-ৰ অধীনত সামৰি লোৱা হৈছে আৰু সেয়েহে, যদিও অপৰাধী পক্ষই অভিযুক্ত/আবেদনকাৰী ছামেদ আলীৰ বিৰুদ্ধে ধাৰা ৩০৪ (অংশ-

১)-ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে গোচৰটো প্ৰমাণ কৰিবলৈ সক্ষম হৈছে কিন্তু আই. পি. চি.-ৰ ধাৰা ৩০২-ৰ অধীনত অপৰাধ সংঘটিত হোৱাৰ সন্দৰ্ভত যুক্তিসংগত সন্দেহৰ বাহিৰে প্ৰমাণ কৰাত ব্যৰ্থ হৈছে।

iii) সেই অনুসৰি, অভিযুক্তজন আই পি চিৰ ধাৰা ৩০২(অংশ-১) ৰ অধীনত দোষী সাব্যস্ত হ'ব পাৰে, যিহেতু অভিযুক্তজনৰ জ্ঞান আৰু অভিপ্ৰায় আছিল।

৪) আপীলকাৰীৰ বিদ্বান অধিবক্তাই শ্ৰীযুত শেইখে তলত ধৰণে দিয়া যুক্তি আগবঢ়ায়:

I. বিচাৰ বিভাগে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৪ (প্ৰথম ভাগ) অধীনত অভিযোগসমূহ প্ৰমাণ কৰিবলৈ দুৰ্ভাগ্যজনকভাৱে ব্যৰ্থ হৈছে, যিহেতু ই আছিল প্ৰচণ্ড মাৰপিট আৰু প্ৰকৃততে মৃতকজনক কোনে আঘাত কৰিছিল সেই বিষয়ে গুৰুতৰ সন্দেহ আছে। গতিকে এনে সন্দেহৰ সুবিধা আপীলকাৰীক প্ৰদান কৰা উচিত যিহেতু কোনো ধৰণৰ যুক্তিযুক্ত সাক্ষ্য-প্ৰমাণ নোহোৱাকৈ এই আপীলকাৰীজনক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৪(প্ৰথম ভাগ) অধীনত দোষী সাব্যস্ত কৰা হয় আৰু আন সকলো অভিযুক্ত ব্যক্তি যিসকল মাৰপিট অংশ লৈছিল, তেওঁলোকক কেৱল আইপিচিৰ ৩৩৪ অধীনত দোষী সাব্যস্ত কৰা হৈছে।

II. শেইখ ডাঙৰীয়াই আৰু কয় যে অপৰাধ সংঘটিত কৰাত ব্যৱহৃত অস্ত্ৰৰ সন্দৰ্ভত আনকি গুৰুতৰ সন্দেহৰ সৃষ্টি হৈছে। কথিত কিছু প্ৰত্যক্ষদৰ্শীৰ মতে 'খুন্তী'ৰ দ্বাৰা আঘাত কৰা হৈছিল, আন এজন সাক্ষীয়ে ইয়াক "চিপ্ৰাং" বুলিন উল্লেখ কৰিছে আৰু আন এজন সাক্ষীয়ে ইয়াক "কাঠৰ বাটাম" বুলি সাক্ষ্য দিছে। গতিকে এনে সন্দেহৰ প্ৰতি লক্ষ্য ৰাখি আপীলকাৰীয়ে দোষমুক্ত হোৱাৰ অধিকাৰী, বিশেষকৈ, এনে পৰিস্থিতিত য'ত স্বীকাৰ্য্য যে ৩৫ জন ব্যক্তিৰে গঠিত দুটা গোটৰ সৈতে মাৰপিটো হৈছিল। শেইখ ডাঙৰীয়াই আৰু কয় তদন্তকাৰী কৰ্তৃপক্ষই অপৰাধ

সংঘটিত কৰাত ব্যৱহৃত কথিত অস্ত্ৰ জব্দ কৰা নাছিল যিটো গোচৰ প্ৰমাণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ অসোঁৱাহ।

III. ইয়াৰ উপৰিও, শ্ৰী শেইখ ডাঙৰীয়াই যুক্তি দিয়ে যে যদিও এইটো ধাৰণা কৰা হয় যে আপীলকাৰী অপৰাধটো সংঘটিত কৰাৰ সৈতে জড়িত আছিল বা প্ৰকৃততে মৃতক আঘাত কৰিছিল, তথাপিও প্ৰদান কৰা তথ্যসমূহৰ গোচৰটো আই. পি. চি. ধাৰা ৩০৪ (প্ৰথম ভাগ)ৰ অধীনত সৰ্বাধিক অপৰাধ হ'ব পাৰে, যিহেতু নথিত পৰ্যাপ্ত সাক্ষ্য-প্ৰমাণ উপলব্ধ আছে যে অভিযুক্তৰ মৃতকক হত্যা কৰাৰ কোনো অভিপ্ৰায় নাছিল। তদুপৰি গোচৰীয়া পক্ষই নিজেই প্ৰতিষ্ঠা কৰিছে যে মৃতকজন আক্ৰমণকাৰী আছিল। সেই অনুসৰি আপীলকাৰীৰ কম শাস্তি পোৱাৰ অধিকাৰ আছে।

IV. তাৰ বিপৰীতে বিদ্বান অতিৰিক্ত লোক অধিবক্তা শ্ৰীযুত এম. পি. গোস্বামীয়ে তলত দিয়া ধৰণে যুক্তি দিয়ে:

I. পৰীক্ষা কৰা চাক্ষুষ সাক্ষীসকলৰ সাক্ষ্য গোটেই সময়ছোৱাত দৃঢ় হৈ আছিল আৰু এইটো প্ৰমাণিত হৈছিল যে অভিযুক্ত আপীলকাৰীয়ে ভোতা অস্ত্ৰৰে মাৰাত্মক আঘাত কৰাটো প্ৰমাণ হৈছে। দৰাচলতে জেৰাৰ সময়ত তেওঁলোকে এনে স্থিতি পুনৰ নিশ্চিত কৰিছে। গতিকে অভিযুক্ত/আপিলকাৰীয়েহে মৃতকৰ মূৰত মাৰাত্মক আঘাত কৰিছিল বুলি বিচাৰ বিভাগে কোনো যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰমাণ কৰিবলৈ সক্ষম হৈছে।

II. গোস্বামী ডাঙৰীয়াই আৰু কয় যে প্ৰত্যক্ষদৰ্শীৰ এনে সাক্ষ্যক আহতসকলক পৰীক্ষা কৰা চিকিৎসকৰ লগতে মৃতক আৰু মৰণোত্তৰ পৰীক্ষা কৰা চিকিৎসকেও সমৰ্থন কৰিছে। প্ৰদৰ্শিত আঘাতৰ প্ৰতিবেদন প্ৰত্যাহ্বানহীন হৈয়েই আছে। সেই অনুসৰি,বিদ্বান বিচাৰ আদালতে সঠিকভাৱে ৰায়দান কৰিছে।

III. শেইখ ডাঙৰীয়াৰ প্ৰদান কৰা যুক্তিৰ ওপৰত বিদ্বান অতিৰিক্ত লোক অধিবক্তা গোস্বামী ডাঙৰীয়াই যুক্তি আগবঢ়ায় যে যিহেতু অভিযুক্তই(আপিলকাৰীয়ে) মাৰাত্মক আঘাত কৰা বুলি প্ৰমাণিত হৈছে, আৰু আঘাতৰ ফলত মূৰত আঘাত (শৰীৰৰ এক গুৰুত্বপূৰ্ণ অংশ) হৈছে, গতিকে বিচাৰ আদালতে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০৪ (প্ৰথম ভাগ) ধাৰাত আপীলকাৰীক দোষী সাব্যস্ত কৰাটো শুদ্ধ আছিল । তেওঁ আৰু কয় যে প্ৰকৃততে গোস্বামী ডাঙৰীয়াই আৰু কয় যে  সত্ৰ ন্যায়াধীশে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত নহয়, ধাৰা ৩০৪ (প্ৰথম খণ্ড)ৰ অধীনত (যিটোৱে দোষী হত্যাৰ বাবে কম শাস্তি বহন কৰে) অভিযুক্তক দোষী সাব্যস্ত কৰি প্ৰকৃততে দয়া দেখুৱাইছিল।

IV. তেওঁ আৰু কয় যে মুক্ত মাৰপিট প্ৰত্যক্ষদৰ্শীক অবিশ্বাস কৰাৰ ভিত্তি হ'ব নোৱাৰে, যিহেতু মৃতকৰ বাহিৰে কাকো আঘাত কৰা হোৱা নাছিল। অপৰাধ সংঘটিত কৰাত ব্যৱহৃত অস্ত্ৰ জব্দ নকৰাৰ লগতে ব্যৱহৃত প্ৰকৃত অস্ত্ৰৰ সন্দৰ্ভত সন্দেহৰ সন্দৰ্ভত গোস্বামী ডাঙৰীয়া, বিদ্বান অধিবক্তাই দাবী কৰে যে যেতিয়া প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য অটল থাকে, তেতিয়া অপৰাধ সংঘটিত কৰাত ব্যৱহৃত অস্ত্ৰ জব্দ নকৰাটো এটা গুৰুত্বপূৰ্ণ অসোঁৱাহ নহ'ব। তেওঁ আৰু কয় যে যদিও এজন সাক্ষীয়ে কাঠৰ বাটাম অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল সাক্ষ্য দিছে, অন্য সাক্ষীয়ে স্পষ্ট কৰি দিছে যে এইটো কাঠৰ নাল থকা খুন্তি//চিপ্ৰাং আছিল। গতিকে ঘটনাত আহত প্ৰত্যক্ষদৰ্শীৰ অটল প্ৰমাণ/সাক্ষ্যৰ পটভূমিত এনে সৰু সৰু অমিল বিচাৰ গোচৰৰ বাবে মাৰাত্মক নহয়।

৫/ পক্ষসমূহৰ বাবে বিদ্বান অধিবক্তাই উত্থাপন কৰা যুক্তিসমূহৰ ওপৰত মই উদ্বিগ্নভাৱে বিবেচনা কৰিছো।

৬) পক্ষসমূহৰ বাবে বিদ্বান অধিবক্তাই উত্থাপন কৰা যুক্তিসমূহৰ সৈতে মোকাবিলা কৰাৰ আগতে এই আদালতে প্ৰথমে সাক্ষীসকলৰ জবানবন্দী আৰু সাক্ষ্যসমূহ চোৱা হওঁক।

I. গোচৰীয়া পক্ষৰ ১ নং সাক্ষী মো: মজিবুৰ ৰহমান যি এই গোচৰৰ গোচৰীয়া এই বুলি সাক্ষ্য দিছে যে ঘটনা সংঘটিত হোৱাৰ তাৰিখে পুৱা প্ৰায় ৮ বজাত তেওঁৰ কনিষ্ঠ ভাতৃ ফজাৰ উদ্দিনে তেওঁক টেলিফোনযোগে এখন বাহন আনিবলৈ জনাইছিল কাৰণ তেওঁৰ পিতৃ ছামছুদ্দিন আৰু অন্যান্য লোকক আচামীগনে দা, লাঠি, চিপ্ৰাং আদি দি মাৰপিট কৰাৰ বাবে আহত হৈছিল। তেখেতে লগে লগে এখন টাটা ছুমো গাড়ী লৈ ঘটনাস্থলীত উপস্থিত হয় আৰু দেখে যে তেওঁৰ পিতৃ ছামছুদ্দিনৰ দুয়োখন হাত ভাঙি গৈছে আৰু গোটেই শৰীৰত আঘাত পাইছে। দুলালুদ্দিনে মূৰ আৰু মুখত আঘাত পোৱাৰ উপৰিও হাত আৰু বুকুত কটা আঘাত পাইছে, নজৰুল ইছলামে মূৰ আৰু কান্ধত আঘাত পাইছে, মুকবুল হুছেইন আৰু ফাজালুদ্দিনে গোটেই শৰীৰত আঘাত পাইছে, ইক্ৰামুল হুছেইনে মূৰত আঘাত পোৱাৰ লগতে আন কিছুমানৰ লোকেও শৰীৰত আঘাত পাইছে। কিছু আহত ব্যক্তিক লাহৰীঘাট চিকিৎসালয়লৈ লৈ যোৱা হয়। আহত দুলালুদ্দিন আৰু নজৰুলক মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। দুলালুদ্দিনৰ অৱস্থা গুৰুতৰ হোৱাৰ বাবে একেদিনাই তেওঁক জিএমচিএইচ, গুৱাহাটীলৈ প্ৰেৰণ কৰা হয় যদিও পিছদিনা দুলালুদ্দিনৰ জীয়াই থকাৰ সম্ভাৱনা নথকাৰ বাবে তেওঁক জিএমচিএইচৰ পৰা মুকলি কৰি দিয়া হয় আৰু পিছত দিছপুৰ পলি ক্লিনিকত বিয়লি ৪.০০ বজাত ভৰ্তি কৰা হয় আৰু পিছদিনা চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। গোচৰীয়া পক্ষৰ ১ নং সাক্ষীয়ে লাহৰীঘাট থানাৰ এজাহাৰ দাখিল কৰে। প্ৰদৰ্শক পি(১) হৈছে উক্ত এজাহাৰ আৰু প্ৰদৰ্শক পি-১(১) তেওঁৰ স্বাক্ষৰ। গোচৰীয়া পক্ষৰ ১ নং সাক্ষীয়ে তেওঁৰ জেৰাৰ সময়ত উল্লেখ কৰিছে যে তেওঁ ক'ব নোৱাৰে যে ঘটনাত

অভিযুক্তই কি কি অস্ত্র ব্যৱহাৰ কৰিছিল। ঘৰৰ ওচৰতে তাৰ ধাননি পথাৰত এটা বাট আছে আৰু সেই বাটটো ব্যৱহাৰ কৰি সিহঁতে তাৰ ঘৰৰ পৰা ওলাই আহিছিল। অভিযুক্ত সবজালীয়ে ট্ৰেক্টৰেৰে হাল বাই উক্ত পথটো ধ্বংস কৰিছিল, সেয়েহে এই ঘটনাৰ পূৰ্বে তেওঁৰ পিতৃ ছামছুদ্দিন আৰু অভিযুক্ত সবজালী আৰু তেওঁৰ পত্নীৰ মাজত কাজিয়া হৈছিল। গোচৰীয়া পক্ষৰ ১ নং সাক্ষীয়ে প্ৰতিৰক্ষাই তেওঁক দিয়া উক্তি(suggestion) অস্বীকাৰ কৰি কয় যে সংঘটনস্থলীত এনে কোনো পথ নাই আৰু তেওঁলোকে সদায় সমদ আলী আৰু মৰমুজ আলীৰ বাসগৃহৰ মাজত অৱস্থিত পথটো ব্যৱহাৰ কৰি আছিল। এই ঘটনা সংঘটিত হোৱা ভূমি বিতৰ্কিত ভূমি আৰু সবজালীৰ দাবী বুলি কোৱা কথাও তেওঁ আৰু অস্বীকাৰ কৰে। উক্ত মাটিখিনি সংক্ৰান্তত ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৫ নং ধাৰাত এটা গোচৰ(এমআৰ গোচৰ নং ৮৪/২০১২) চলি আছে আৰু সেই গোচৰটো তেওঁৰ পিতৃ ছামছুদ্দিন আৰু খুৰা আব্দুল হাকিমে দাখিল কৰিছিল। যেতিয়া তেওঁৰ পিতৃ আব্দুল ছামেদ আৰু তাৰ পিছত আব্দুল ছামেদৰ সীমাত উপস্থিত হৈছিল তেতিয়া এই ঘটনা হৈছিল বুলি তেওঁ আৰক্ষীৰ আগত কোৱা বুলি দিয়া উক্তি(suggestion) তেওঁ অস্বীকাৰ কৰে। তেওঁ বৰ্ণনা কৰা অনুসৰি আঘাতপ্ৰাপ্তসকলে কোনো ধৰণৰ আঘাত পোৱা নাই বুলি প্ৰতিৰক্ষা ফালৰ পৰা দিয়া উক্তিও তেওঁ অস্বীকাৰ কৰে। পৰামৰ্শ অস্বীকাৰ কৰে। তেওঁ প্ৰতিৰক্ষাৰ উক্তি(suggestion)অস্বীকাৰ কৰে যে তেওঁৰ ভাতৃৰ আক্ৰমণত সাতজন অভিযুক্ত ব্যক্তি আঘাতপ্ৰাপ্ত হৈছে।

II. গোচৰীয়া পক্ষৰ ২ নং সাক্ষী ডাঃ নুৰুল আমিনে তেওঁৰ সাক্ষ্যত ৩০.১২.২০১১ তাৰিখে পুৱা ১০.২৫ বজাত ১৪ জন ব্যক্তিক পৰীক্ষা কৰা বুলি সাক্ষ্য দিছে, যাৰ সবিশেষ তলত দিয়া হৈছে:

i) ৰাজাগাধোৱা গাঁওৰ মোঃ সবজালীৰ পুত্ৰ মোঃ ৰফিকুল ইছলাম (২৫)। পৰীক্ষাৰ পিছত তেওঁ দেখা পায়: সোঁ বুঢ়া আঙুলিটোৰ মধ্যৱৰ্তী দিশত ডিচটাল পাহালিংকছ ১ চে.মি. x ৪ চে.মি. জোখৰ কটা জখম। ই চোকা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ জখম।

ii. ৰাজাগাধোৱা গাঁওৰ হৰমুজ আলীৰ পুত্ৰ মোঃ হাইবুল ইছলাম (২৫ বছৰ)। পৰীক্ষাত তেওঁ পায়: সোঁফালৰ মাজৰ বাহুটো অলপ ফুলি উঠিছে। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ জখম।

iii. ৰাজাগাধোৱাৰ গাঁওৰ মোঃ আৰোজ আলীৰ পুত্ৰ মাৰ্টাত আলী, ৩০ বছৰ। পৰীক্ষাত তেওঁ পায়: টেনডাৰ লেফট মেণ্ডিবল। কোনো বাহ্যিক জখম নাই।

iv. ৰাজাগাধোৱা গাঁওৰ মৃত ইছমাইল আলীৰ পুত্ৰ মোঃ আৰোজ আলী (৪৯ বছৰ) । পৰীক্ষাত তেওঁ পায়: বাওঁফালৰ আগবাহুটোত পাৰ্শ্বীয়ভাৱে ছালদেদেৰা জখম। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

v. ৰাজাগাধোৱা গাঁওৰ মোঃ সবজালীৰ পুত্ৰ সাহাজন আলী (২৫)। পৰীক্ষাত তেওঁ পায়: লেফট আপাৰ ওসিসিপিটাল ৰিজিওনত ১ চে.মি. x ২ চে.মি. জোখৰ ছালদেদেৰা জখম। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

vi. ৰাজাগাধোৱা গাঁওৰ প্ৰয়াত সমৰ আলীৰ পুত্ৰ মোঃ সবজালী, ৪৬ বছৰ । পৰীক্ষাত তেওঁ পায়: লেফট মেণ্ডিবুলাৰ এৰিয়াত ছালদেদেৰা জখম।। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

vii. ৰাজাগাধোৱা গাঁৱৰ প্ৰয়াত মজিদ ফকিৰৰ পুত্ৰ মোঃ ছামছুদ্দিন, ৭০ বছৰ । পৰীক্ষাত  তেওঁ পালে: দুয়োটা কান্ধত ছাল উখহি যোৱা জখম আৰু স্পৰ্শ কৰিলেই দুখ পায়। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

viii. মোঃ ছামছুদ্দিনৰ পুত্ৰ মোঃ ছাইফুল ইছলাম (৪০ বছৰ। পৰীক্ষা কৰিলে তেওঁ দেখিলে: দুয়োটা কিলাকুটি ছাল উখহি ফুলি উঠিছে। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

ix. ৰাজাগাধোৱা গাঁৱৰ ছামছুদ্দিনৰ পুত্ৰ মাকবুল হুছেইন (৩২)। পৰীক্ষাত তেওঁ দেখিলে: দুয়োটা স্কেপুলাৰ এৰিয়াত অনিয়মিত কটা জখম। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

x. ৰাজাগাধোৱা গাঁৱৰ মোঃ ছামছুদ্দিনৰ পুত্ৰ নাজিৰুল ইছলাম (২৫ বছৰ)। পৰীক্ষাত তেওঁ পালে: এব্ৰাজন ফ্ৰোন্টেল ৰেজিওন ৱিথ কেলাউডিং অফ কনসিওসনেস। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাতৰ অনুমান। লগে লগে ৰোগীজনক মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

xi. ৰাজাগাধোৱা গাঁৱৰ ছামছুদ্দিনৰ পুত্ৰ ফজল উদ্দিন, ২০ বছৰ। পৰীক্ষা কৰি তেওঁ দেখিলে: দুয়োটা বাহু ছাল উখহি ফুলি উঠিছে। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

xii. ৰাজাগাধোৱা গাঁৱৰ ছামছুদ্দিনৰ পুত্ৰ দুলাল হুছেইন (২০ বছৰ)। পৰীক্ষাত তেওঁ পালে: অক্সিপিটেল এৰিয়াত দকৈ কটা জখম। ৰোগী অচেতন হৈ আছিল। অনুমান - ভোতা অস্ত্ৰৰ দ্বাৰা কৰা গুৰুতৰ জখম। ৰোগীজনক মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

xiii. ৰাজাগাধোৱা গাঁৱৰ মজিবুৰ ৰহমানৰ পত্নী ৰবিয়া খাতুন, ২৫ বছৰীয়া। পৰীক্ষাত তেওঁ পালে: স্পৰ্শ কৰিলেই দুখ অনুভৱ কৰা পিঠি । কোনো বাহ্যিক আঘাত নাই।

xiv. ৰাজাগাধোৱা গাঁৱৰ ছাইফুল ইছলামৰ পত্নী হালিমা খাতুন, ২৫ বছৰ। পৰীক্ষাত তেওঁ দেখিলে: দুয়োটা আঁঠুৰ ছালদেদেৰা হৈছে আৰু স্পৰ্শ কৰিলে দুখ পায়। ভোতা অস্ত্ৰৰ ফলত হোৱা সাধাৰণ আঘাত।

গোচৰীয়া পক্ষৰ ২ নং সাক্ষীয়ে আঘাতৰ প্ৰতিবেদনক প্ৰদৰ্শক পি-২ আৰু তেওঁৰ স্বাক্ষৰ প্ৰদৰ্শক পি-২(১) ৰ পৰা পি-২(৭)হিচাপে প্ৰমাণ কৰিছে। তেওঁৰ জেৰাৰ সময়ত তেওঁ উল্লেখ কৰে যে ৰজাগধোৱা গাঁৱৰ সবজালিৰ পুত্ৰ ৰফিকুল ইছলামে আঘাতপ্ৰাপ্ত হৈছে চোকা অস্ত্ৰৰ ফলত আৰু অন্যান্য আঘাত ভোটা অস্ত্ৰৰ ফলত হৈছে। কিছুমান আঘাত হয়তো কঠিন বস্তুৰ ওপৰত পৰি বা যিকোনো কঠিন বস্তুক খুন্দা মৰাৰ ফলত হ’ব পাৰে। তেওঁ আৰু কয় যে ৰফিকুল ইছলাম, নাজিৰুল ইছলাম আৰু দুলালুদ্দিন (ছামছুদ্দিনৰ পুত্ৰ)ৰ আঘাত পৰি বা কঠিন বস্তুৰ লগত খুন্দা খোৱাৰ ফলত হ’ব নোৱাৰে। কেলাউডিং অফ কনসিওসনেসৰ অৰ্থ হ’ল শৰীৰৰ অংশটোৰ চেতনাৰ মাত্ৰা। তেওঁ আৰু উল্লেখ কৰে যে আহত ১৪ জনৰ ভিতৰত ক্ৰমিক নং (i)ৰ পৰা (vi)লৈকে প্ৰথম ৬ জন বিচাৰৰ সন্মুখীন হোৱা অভিযুক্ত ব্যক্তি আৰু আন আঠজন (vii)ৰ পৰা (xiv) হ'ল গোচৰীয়া পক্ষৰ লোক। পিছত আহত দুলালুদ্দিনক মৰিগাঁওলৈ স্থানান্তৰ কৰা হয় আৰু তাৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰা হয় আৰু তাতেই তেওঁৰ মৃত্যু হয়। তেওঁ আৰু উল্লেখ কৰে যে মেডিকো লিগেল ৰিপ’ৰ্ট অনুসৰি মৃত দুলালুদ্দিনৰ বাহিৰে সেইদিনা আন কোনো গুৰুতৰ আঘাত হোৱা নাছিল।

III. গোচৰীয়া পক্ষৰ ৩ নং সাক্ষী মকবুল হুছেইনে তেওঁৰ সাক্ষ্যত কৈছে যে ৩০.১২.২০১১ তাৰিখে পুৱা প্ৰায় ৮ বজাত হাই-উৰুমি শুনি তেওঁ নিজৰ ঘৰৰ পৰা ওলাই আহি ছাবজালি, ৰহাম আলী আৰু সবজালীৰ পত্নী চাহেৰা খাতুন ছামছুদ্দিনৰ সৈতে কাজিয়াত লিপ্ত হোৱা দেখিছিল। ইয়াৰ পিছত ছামেদ আলী আৰু আনসকলে অস্ত্ৰৰে সজ্জিত সকলোকে ঘেৰি ধৰে। অভিযুক্ত ৰফিকুল ইছলাম, সাহজাহান আৰু মিৰাজ আলীয়ে তেওঁৰ পিতৃ ছামছুদ্দিনক তাৰ দুয়ো হাতত লাঠি আৰু দাও দি আঘাত কৰাৰ লগতে মতম আলী আৰু মুক্তাৰ আলীয়ে তেওঁক লাঠিৰে আক্ৰমণ কৰি দুয়ো ভৰিত আঘাত কৰে। ইয়াৰ পিছত তেওঁ কোনে কাক আক্ৰমণ কৰিলে সেয়া দেখা নাপালে কাৰণ তাত ৩০ জন লোক গোট খাইছিল। দুলালুদ্দিন আৰু নজৰুল ইছলামক মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় আৰু তাৰ পৰা জি এম চি এইচলৈ প্ৰেৰণ কৰা হয় আৰু তাৰ পৰা দিছপুৰ পলি ক্লিনিকলৈ স্থানান্তৰ কৰা হয় আৰু তাতেই তেওঁৰ মৃত্যু হয়। দুলালুদ্দিনৰ মৃতদেহৰ ওপৰত তদন্ত কৰা হয়। প্ৰদৰ্শক পি-৩ হৈছে তদন্তৰ প্ৰতিবেদন আৰু প্ৰদৰ্শক পি-৩(১) হৈছে তেওঁৰ স্বাক্ষৰ। তেওঁৰ জেৰাৰ সময়ত পি ডব্লিউ-৩য়ে কয় যে এই ঘটনা সংঘটিত হোৱা ভূমি তেওঁৰ পিতৃ ছামছুদ্দিন আৰু ককাক আব্দুল হাকিমৰ নামত। তেওঁ উল্লেখ কৰে যে উক্ত মাটিত ঘটনা সংঘটিত হোৱাৰ সময়ত ধনীয়া খেতি হোৱা নাছিল। তেওঁ এই উক্তি(suggestion)ও অস্বীকাৰ কৰে যে হাই-উৰুমি শুনি কিছুমান বাসিন্দাই সবজালী আৰু তেওঁৰ পত্নীক উদ্ধাৰৰ বাবে ঘটনাস্থলীলৈ আহিছিল। তেওঁ কয় যে তেওঁৰ পিতৃ ছামছুদ্দিনে ধাৰা ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৪৫ অধীনত গোচৰ নং গোচৰ নং এম আৰ ৮৬/২০১২ বিচাৰাধীন হৈ আছে। তেওঁ আৰু দুলালুদ্দিনে অভিযুক্ত লোকসকলক আক্ৰমণ কৰাত অংশ লৈছিল বুলি কৰা উক্তি(suggestion)ও তেওঁ অস্বীকাৰ কৰে।

গোচৰীয়া পক্ষৰ ৪ নং সাক্ষী ছাইফুল ইছলামে তেওঁৰ সাক্ষ্যত কৈছে যে এই ঘটনা তেওঁৰ পিতৃৰ খেতিযোগ্য মাটিত সংঘটিত হৈছিল। হাই-উৰুমি শুনি নিজৰ ঘৰত থকাৰ সময়তে প্ৰথমে মকবুল আহে আৰু তাৰ পিছত দুলালুদ্দিন আৰু তাৰ পিছত আন আন আহে। তেওঁ দেখে যে তেওঁৰ পিতৃ ছামছুদ্দিন হাতত আঘাত পাই মাটিত পৰি আছে। অভিযুক্ত ছামেদ আলী, আৰাজ আলী, আশ্ৰব আলী আৰু ছফিকুল ইছলামে দুলালুদ্দিনক মূৰত চিপ্ৰাং দি মাৰপিট কৰে আৰু অভিযুক্ত আৰাজে তেওঁৰ হাতত দা দি আঘাত কৰে। আহত লোককেইজনক চিকিৎসালয়লৈ লৈ যোৱা হয়। দুলালুদ্দিনক দিছপুৰ পলি ক্লিনিকলৈ প্ৰেৰণ কৰা হয় আৰু পিছদিনা তেওঁৰ মৃত্যু হয়। জেৰাৰ সময়ত পিডব্লিউ-৪-এ কয় যে তেওঁ এই পৰিঘটনা আৰম্ভ হোৱাৰ সময়ত উপস্থিত নাছিল। লগতে প্ৰতিৰক্ষাই তেওঁক দিয়া উক্তি( suggestion ) অস্বীকাৰ কৰে যে যি ডোখৰ ভূমিত ঘটনা সংঘটিত হৈছিল সেইখন ভূমিডোখৰ অভিযুক্ত সবজালী আৰু ৰহাম আলীৰ আছিল। তেওঁ আৰু কয় যে তেওঁলোকে অভিযুক্ত ব্যক্তিসকলক চিনি পায় কাৰণ তেওঁলোক একেখন গাঁৱতে বাস কৰে। তেওঁ প্ৰতিৰক্ষাৰ উক্তি( suggestion ) অস্বীকাৰ কৰে যে যিহেতু আবুবক্কৰ ছিদ্দিক আৰু হিপজুৰ ৰহমানৰ বাহিৰে আন অভিযুক্ত ব্যক্তিসকল সাবজালীৰ সৈতে সম্পৰ্কিত, সেয়েহে তেওঁলোকক মিছাকৈ জড়িত কৰা হৈছে।

V) গোচৰীয়া পক্ষৰ ৫ নং সাক্ষী মো: তালিবুৰ ৰহমানে তেওঁৰ সাক্ষ্যত কয় যে ঘটনাৰ দিনা প্ৰায় ৮ বজাত হাই-উৰুমি শুনি তেওঁ ঘটনা সংঘটিত হোৱা ঠাইলৈ আহে। ঘটনাস্থলীত উপস্থিত হোৱাৰ পিছত তেওঁ দেখিলে যে উক্ত কাজিয়াত দুয়োপক্ষ জড়িত হৈ আছে। দুয়োপক্ষই ইজনে সিজনক আঘাত কৰি আছিল গতিকে কোনে কাক আক্ৰমণ কৰিলে তেওঁ মনত পেলাব পৰা নাছিল। ছামছুদ্দিন আৰু দুলাল উদ্দিন আহত হয় আৰু তেওঁলোকক চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু দুদিন তিনিদিনৰ পিছত দুলাল উদ্দিনৰ মৃত্যু হয়। পি ডব্লিউ-৫-এ তেওঁৰ গোচৰীয়া

পক্ষৰ ১ নং সাক্ষী কৈছে যে তেওঁ অভিযুক্ত ব্যক্তিসকলে গুচি যোৱাৰ সময়ত তেওঁ কোনো ধৰণৰ আঘাত দেখা পোৱা নাছিল।

VI. গোচৰীয়া পক্ষৰ ৬ নং সাক্ষী মো: আব্দুৰ ৰহিমে তেওঁৰ সাক্ষ্যত কৈছে যে ৩০.১২.২০১১ তাৰিখে পুৱা প্ৰায় ৭.৩০ বজাত হাই-উৰুমি শুনি তেওঁ ঘটনা সংঘটিত স্থানলৈ আহি দুলাল উদ্দিন, ছামছুদ্দিন, নজৰুল আৰু আন দুগৰাকী মহিলা ব্যক্তিক শৰীৰত আঘাত পাই মাটিত পৰি থকা দেখা পায়। ছামছুদ্দিনে পি ডব্লিউ-৬ক জনোৱা মতে, অভিযুক্ত সমদ আলীয়ে তেওঁৰ পুত্ৰ দুলাল উদ্দিনৰ মূৰত আঘাত কৰে। দুলাল উদ্দিনক প্ৰথমে মৰিগাঁওলৈ আৰু তাৰ পিছত গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছিল। গুৱাহাটীতে চিকিৎসাধীন হৈ থকা সময়ত দুলাল উদ্দিনৰ মৃত্যু হয়। পি ডব্লিউ-৬য়ে তেওঁৰ জেৰাৰ সময়ত কয় যে যেতিয়া তেওঁ ঘটনা সংঘটিত হোৱা স্থানত উপস্থিত হয় তেতিয়া তেওঁ অভিযুক্ত ব্যক্তিসকলক খঙাল মেজাজত দেখা পায়। তেওঁ জেৰাৰ সময়ত আৰু কয় যে তেওঁ অভিযুক্ত আবুবক্কৰ ছিদ্দিক আৰু হিফিজুৰক ঘটনা সংঘটিত হোৱা স্থানত দেখা নাছিল যদিও আন অভিযুক্ত ব্যক্তিসকল তাত আছিল আৰু তেওঁ অভিযুক্ত ব্যক্তিসকলৰ গাত কোনো ধৰণৰ আঘাত দেখা নাই।

VII. গোচৰীয়া পক্ষৰ ৭ নং সাক্ষী মোছা: ৰবিয়া খাতুনে তাইৰ সাক্ষ্যত কয় যে ঘটনাৰ দিনা, হাই-উৰুমি শুনি হালিমা, মফিদা, জুবেদা আৰু তাই ঘটনাস্থলীলৈ যায় আৰু দেখে যে সমদ আলী, সবজালি, আছৰাফ আলী, ৰহম আলী, চাহেৰা খাতুনে তাইৰ (পি ডব্লিউ-৭) শহুৰেক ছামছুদ্দিনৰ ধাননি পথাৰত আঠুৱা বনোৱাৰ বাবে ব্যৱহাৰ কৰা জাল লগাই আছে। যেতিয়া তাইৰ শহুৰেকে প্ৰতিবাদ কৰাত তেওঁলোকৰ মাজত কাজিয়া আৰম্ভ হয়। ছাবজলিয়ে ছামছুদ্দিনক লাঠিৰে মাৰপিট কৰে। ৰহাম আলী আৰু আছৰাফ আলীয়েও বাঁহৰ টুকুৰা আৰু কাঠৰ

টুকুৰাৰে ছামছুদ্দিনক মাৰপিট কৰে। দুলাল উদ্দিনো ঘটনা সংঘটিত হোৱা ঠাইলৈ আহিছিল আৰু সমদ আলীয়ে দুলালুদ্দিনৰ মূৰত আগজোঙা গোঁজ(খন্তি)ৰে আঘাত কৰে। পিছত সমদ আলীৰ ঘৰৰ পৰা ৬-৭ জন ব্যক্তি ঘটনাস্থলীত আহে। হিপজুৰ আৰু আবুবাকেৰে ১০-১২ জন ব্যক্তিক ঘটনাস্থলীলৈ পঠিয়াইছিল। জখম কৰাৰ পিছত অভিযুক্ত ব্যক্তিসকলে সেই স্থান এৰি গুচি যায়। ছামছুদ্দিন, ফাজালুদ্দিন, নজৰুল ইছলাম, মুকবুল, নুৰ আমিন, ইক্রামুল আদিও আঘাতপ্ৰাপ্ত হয় আৰু তেওঁলোকক চিকিৎসালয়লৈ লৈ যোৱা হয়। দুলালুদ্দিন আৰু নজৰুলক ৰাজাগাধোৱা চিকিৎসালয়ৰ পৰা মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় আৰু তাৰ পৰা দুলাল উদ্দিনক পুনৰ গুৱাহাটীলৈ প্ৰেৰণ কৰা হয় আৰু পিছদিনা তেওঁৰ মৃত্যু হয়। জেৰাৰ সময়ত পিডব্লিউ-৭-এ কয় যে মজিবুৰ ইছলামৰ বাহিৰে সকলোৱে ঘটনাস্থলীত উপস্থিত আছিল। তেওঁ উল্লেখ কৰে যে কৃষিভূমিত এটা পথ আছে যিটো চামছুদ্দিনে হাল বাইছিল আৰু অভিযোগ কৰে যে সাবজালীয়ে উক্ত পথটোত আঠুৱা বনোৱাৰ বাবে ব্যৱহাৰ কৰা জালেৰে বেৰ দি সেই পথটো ব্যৱহাৰ কৰি ব্যক্তিসকলক যাবলৈ বাধা দিছিল যাৰ ফলত ছামছুদ্দিন, সবজালী, ছামেদ আলী, আছৰাফ আলী, ৰহাম আলী, আৰাজ আলী আৰু চাহেৰা খাতুন লগত তাৰ কাজিয়া আৰম্ভ হৈছিল। ওপৰৰ ব্যক্তিসকলে মাৰপিট আৰম্ভ কৰা নাছিল। ইয়াৰ পিছত মৰমুজ আলী, চাহেদ আলী, মতম আলী, মুকতেৰ আলী, মিৰাজ আলী আৰু সাহজাহান দা আৰু লাঠীৰে সজ্জিত হৈ তালৈ আহিছিল আৰু তেওঁলোক অহাৰ পিছত মাৰপিট আৰম্ভ হৈছিল। পি ডব্লিউ-৭-এ তেওঁক প্ৰতিৰক্ষাৰ ফালৰ পৰৰ দিয়া উক্তি অস্বীকাৰ কৰে যে ঘটনাৰ সময়ত বিবাদিত ভূমিত ধনীয়া খেতি হৈছিল আৰু অভিযুক্ত ব্যক্তিসকলে পথ বন্ধ কৰি দিয়াৰ বাবে কাজিয়া সংঘটিত হৈছিল। তাই অভিযুক্ত ব্যক্তিসকলে তাইৰ শহুৰেকক আক্ৰমণ কৰা বুলি মিছাকৈয়ে পদচ্যুত কৰা নাই বুলিও কয়।

VIII. গোচৰীয়া পক্ষৰ ৮ নং সাক্ষী মোছা: আছমিনা বেগমে সাক্ষ্যত কয় যে ৩০.১২.২০১১ তাৰিখে পুৱা প্ৰায় ৮ বজাত তাই ঘটনাস্থলীৰ ওচৰত উপস্থিত থকাৰ সময়তে সবজালী, ৰহাম আলী আৰু চাহাৰা খাতুনে ধাননি পথাৰখনৰ বাটত প্লাষ্টিকৰ জাল লগাইছিল, যাৰ মাজেৰে তেওঁলোকে নিজৰ ধাননি পথাৰলৈ আহিছিল। এই ঘটনাৰ পূৰ্বে চামছুদ্দিন উক্ত পথৰ পৰা আহি আছিল আৰু জাল লগোৱাৰ বাবে সবজালী আৰু অন্যান্যৰ সৈতে তৰ্কাতৰ্কি হৈছিল। তৰ্কাতৰ্কি শুনি পি ডব্লিউ-৭ আৰু আনসকলে ঘটনাস্থলীলৈ আহে। তেওঁলোক অহাৰ পাছত ছামেদ আলীৰ লগতে আৰছাব আলী, আৰাজ আলী, ছিফিকুল ইছলাম, মৰমুজ আলী, মিৰাজ আলী ছামেদ আলীৰ ঘৰৰ পৰা দা, দুমুখীয়া কোঠাৰ, লাঠী আদিৰে সজ্জিত হৈ ওলাই আহিল। দুলাল উদ্দিনৰ মূৰত চিপৰাঙেৰে আঘাত কৰে সমদ আলীয়ে। ছামছুদ্দিন, মাকবুল, ফাজালুদ্দিন, ছাইফুল ইছলাম, নজৰুল ইছলাম, ইক্ৰামুল হুছেইন, নুৰুল আমিন, আছাদুল ইছলাম, ৰফিকুল ইছলাম, হালিমা বেগম, ৰবিয়া বেগম, জুবেদা বেগমকো অভিযুক্ত সকলে মাৰপিট কৰি আহত কৰে। দুলালুদ্দিন আৰু নজৰুল ইছলামক মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। দুলালুদ্দিনক দিছপুৰ নাৰ্চিং হোমত ভৰ্তি কৰোৱা হয় আৰু তাৰ পিছৰ দিনা তেওঁৰ মৃত্যু হয়। পি ডব্লিউ-৮য়ে তেওঁৰ জেৰাৰ সময়ত উল্লেখ কৰিছে যে ধাননি পথাৰত ধনীয়া খেতি হৈছে নে নাই সেই বিষয়ে তেওঁ অৱগত নাছিল। সবজালি, ৰহাম আলী আৰু চাহেৰা খাতুনে মাটিখিনি নিজৰ বুলি দাবী কৰে যদিও ছামছুদ্দিনে মাটিখিনি নিজৰ মাটি বুলি দাবী কৰে। গতিকে তেওঁলোকৰ মাজত বিবাদৰ সৃষ্টি হয়। অভিযুক্ত লোকৰ সংখ্যা মুঠ ২৪ জন। তাইৰ পক্ষও অস্ত্ৰৰে সজ্জিত বুলি দিয়া উক্তিক (Suggestion) তাই অস্বীকাৰ কৰে। অভিযুক্ত ছামেদে দুলালুদ্দিনক মাৰপিট কৰা দেখিছিল বুলি মিছাকৈয়ে সাক্ষ্য দিয়া নাই বুলিও তাই কয়।

IX. গোচৰীয়া পক্ষৰ ৯ নং সাক্ষী ডা: পুতুল মহন্তই সাক্ষ্যত কয় যে তেওঁ মো: দুলালুদ্দিনৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰিছিল । পৰীক্ষাত তেওঁ তলত দিয়া পাইছিল:

১) মিড লাইনৰ অক্সিপিটেল এৰিয়াৰ ওপৰত সংখ্যাত ক'লা ৰেচমৰ দ্বাৰা এপ'জ কৰা চিলাই কৰা ৫ টা জখম। চিলাইবোৰ আঁতৰোৱাৰ লগে লগে দেখা জায় যে সেইবোৰ থেথেলা খোৱা জখম। মূৰৰ কাষৰীয়া অংশটো অক্সিপিটেল এৰিয়াৰ ওপৰত ৪ X ২.৫ চে.মি. জোখৰ থেথেলা খোৱা জখম। উক্ত মূৰৰ ছালৰ তলৰ মূৰৰ খুলিটো ভাঙি গৈছে আৰু তাৰ হাড়বোৰ ভাঙি টুকুৰাটুকুৰ হৈছে।

২)মিডলাইনৰ পৰা ৪ চে.মি. সোঁফালে আৰু সোঁকাণৰ ৩ চে.মি. ওপৰত সোঁ টেম্প'ৰ'-পেৰিটেল অঞ্চলৰ ওপৰত ১৫ x ১০ চে.মি. জোখৰ থেথেলা খোৱা জখম। মূৰৰ খুলিৰ তলত ভাঙি গৈছে আৰু তাৰ হাড়বোৰ ভাঙি টুকুৰাটুকুৰ হৈছে। ফ্ৰন্টাল লোব আৰু কনজেষ্টেড মেমব্ৰেন থকা অক্সিপিটেল লোবৰ ওপৰত এক্সট্ৰা-ডুৰেল আৰু চাব-ডুৰেল ৰক্তক্ষৰণ।

গোচৰীয়া পক্ষৰ ৯ নং সাক্ষীয়ে মতামত দিছিল যে মূৰত আঘাত পোৱাৰ ফলত মৰা-মূৰ্ছা গৈ মানুহজনৰ মৃত্যু হৈছে। সকলো জখম মৃত্যুৰ পূৰ্বৰ আছিল। মৃত্যু আনুমানিক সময় ২-৪ ঘণ্টা আগতে হৈছে। তেওঁ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনখন প্ৰদৰ্শক পি-৪ হিচাপে আৰু তেওঁৰ স্বাক্ষৰক প্ৰদৰ্শক পি-৪(১) হিচাপে প্ৰমাণ কৰে। জেৰাৰ সময়ত পিডব্লিউ-৯-এ কয় যে তেওঁ মূৰৰ দুটা ঠাইত জখম পাইছিল। কাঠৰ গধুৰ লাঠি, লোহা, কাঠৰ টুকুৰা, হাতুৰী আদি গধুৰ ভোটা অস্ত্ৰ। তেওঁ আৰু কয় যে কঠিন পদাৰ্থৰ ওপৰত পৰিলে আঘাত পোৱাৰ সম্ভাৱনা নাই যদিও এনে আঘাতকো নুই কৰিব নোৱাৰি। গধুৰ বাঁহৰ লাঠিৰে আক্ৰমণ কৰাৰ ফলত

মূৰৰ খুলিৰ ওপৰত ভাঙন হ'ব পাৰে। আদালতৰ ফালৰ পৰা কৰা এক প্ৰশ্নৰ উত্তৰত পি ডব্লিউ–৯–এ কয় যে মৃতকৰ মৃতদেহত কোনো আনুষংগিক আঘাত পোৱা নাই বাবে পৰি যোৱাৰ ফলতো থেথেলা খোৱা জখম হ'ব পাৰে।

X. গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী ইক্ৰামুল হুছেইনে সাক্ষ্যত কয় যে ৩০.১২.২০১১ তাৰিখে পুৱা প্ৰায় ৭ বজাত এই কাজিয়াৰ বিষয়ে গম পোৱাৰ পিছত তেওঁ ঘটনাস্থলীলৈ গৈ অভিযুক্ত ব্যক্তিসকলে তেওঁৰ পিতৃ আৰু অন্যান্য ব্যক্তিক লাঠিৰে মাৰপিট কৰা দেখা পায়। তেওঁকো আক্ৰমণ কৰা হৈছিল যদিও কোনে আক্ৰমণ কৰিছিল তেওঁ চিনাক্ত কৰিব পৰা নাই। আহত লোককেইজনক চিকিৎসালয়লৈ লৈ যোৱা হয়। অভিযুক্ত ছামেদ আলীয়ে দুলালুদ্দিনক কাঠৰ টুকুৰাৰে মূৰত আঘাত কৰাৰ বিপৰীতে আন লোকে আগুৰি ধৰে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ বাবে পিছদিনা দুলালুদ্দিনৰ মৃত্যু হয়। পি ডব্লিউ–১০–এ তেওঁৰ জেৰাৰ সময়ত সমদ আলী আৰু সাবজালিয়ে দুলালুদ্দিনক আক্ৰমণ কৰাৰ সন্দৰ্ভত মিছাকৈ সাক্ষ্য দিয়া নাই বুলি উল্লেখ কৰে। তেওঁ প্ৰতিৰক্ষা পক্ষি তেওঁক দিয়া উক্তি (suggestion) অস্বীকাৰ কৰে যে মকবুলে আৰাজ আলীক আক্ৰমণ কৰাৰ চেষ্টা কৰিছিল আৰু দুলালুদিনে আৰাজ আলীক বচাবলৈ চেষ্টা কৰিছিল যাৰ বাবে তেওঁ আঘাতপ্ৰাপ্ত হৈছিল। লগতে তেওঁ এই ভূমি সবজালী আৰু ৰহাম আলীৰ বুলি কোৱা কথাও অস্বীকাৰ কৰে আৰু সংঘটিত হোৱাৰ পূৰ্বে তেওঁলোকৰ উক্ত মাটিখিনি তেওঁলোকৰ দখলত আছিল।

XI. গোচৰীয়া পক্ষৰ ১১ নং সাক্ষীয়ে সাক্ষ্যত কয় যে হাই–উৰুমি শুনি তেওঁ ওলাই আহি দুলালুদ্দিনক মাটিত পৰি থকা দেখে। কোনে তেওঁক আঘাত দিলে তেওঁ নাজানে। গোচৰীয়া পক্ষৰ ১১ নং সাক্ষীয়ে তেওঁৰ জেৰাৰ সময়ত উল্লেখ কৰিছে

যে তেওঁ জানে যে যি মাটিত ঘটনা সংঘটিত হৈছিল সেই মাটিত সবজালী আৰু ৰহাম আলীয়ে খেতি কৰিছিল আৰু সেই মাটি তেওঁলোকৰ।

XII. গোচৰীয়া পক্ষৰ ১২ নং সাক্ষীয়ে উল্লেখ কৰিছে যে এই ঘটনাৰ কথা শুনি তেওঁ ঘটনাস্থলীলৈ গৈছিল আৰু দেখিছিল যে ছামছুদ্দিনক অভিযুক্ত ছামেদ আলী আৰু আনসকলে ছামছুদ্দিনক ঘেৰাও কৰি মাৰপিট কৰি আছে। সমদ আলীয়ে দুলালুদ্দিনক লোহাৰ খুন্তিৰে আঘাত কৰে যাৰ বাবে তেওঁৰ মূৰত আঘাতপ্ৰাপ্ত হয়। তাইৰ জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ১২ নং সাক্ষীয়ে উল্লেখ কৰিছে যে তাইৰ ঘৰটো ঘটনাস্থলীৰ পৰা প্ৰায় ১-২ ফাৰ্লং দূৰত অৱস্থিত। তাই আৰু তাইৰ বন্ধুসকলে অভিযুক্ত ব্যক্তিক আক্ৰমণ কৰিবলৈ সাক্ষীসকলক লাঠি যোগান ধৰা বুলি প্ৰতিৰক্ষাই তেওঁক দিয়া উক্তি( suggestion )অস্বীকাৰ কৰে। তেখেতে আৰু এই উক্তি অস্বীকাৰ কৰে যে যিহেতু তেওঁ ছামছুদ্দিনৰ বোৱাৰী গতিকে তাই আদালতত তেওঁ শিকাই দিয়া মতে সাক্ষ্য দিছে।

XIII. গোচৰীয়া পক্ষৰ ১৩ নং সাক্ষী ডাঃ বিনন্দ পাতিৰে তেওঁৰ সাক্ষ্যত কয় যে তেওঁ দিছপুৰ পলিক্লিনিক এণ্ড নাৰ্চিং হোমৰ আই চি ইউত কৰ্তব্যৰত চিকিৎসক হিচাপে থকাৰ সময়ত দুলালুদ্দিনক ৩১.১২.২০১১ তাৰিখে দিছপুৰ পলিক্লিনিক এণ্ড নাৰ্চিং হোমত ভৰ্তি কৰা হৈছিল। নীৰো চাৰ্জন ডাঃ বি.কে. বৈশ্য আৰু ডাঃ পৰাগ বৰ্মন অধীনত তেওঁ চিকিৎসাধীন আছিল। তেওঁ উল্লেখ কৰে যে পিছদিনা দুলালুদ্দিনৰ মৃত্যু হয়। প্ৰদৰ্শকপি-৫ হৈছে মৃত্যুৰ প্ৰমাণ পত্ৰ আৰু প্ৰদৰ্শক পি-৫(১) হৈছে তেওঁৰ ছীল আৰু স্বাক্ষৰ। জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ১৩ নং সাক্ষীয়ে উল্লেখ কৰিছে যে ৰোগীক প্ৰথমে আই চি ইউত ভৰ্তি কৰা হৈছিল আৰু চিকিৎসালয়খনৰ নিয়ম অনুসৰি তেওঁ মৃত্যুৰ প্ৰমাণ পত্ৰ প্ৰদান কৰিছিল।

XIV. গোচৰীয়া পক্ষৰ ১৪ নং সাক্ষী ছামছুদ্দিনে তেওঁৰ সাক্ষ্যত উল্লেখ কৰিছে যে ঘটনাৰ দিনা পুৱা প্রায় ৭-৮ বজাত তেওঁ পথাৰৰ পৰা ঘৰলৈ উভতি অহাৰ সময়ত তেওঁ দেখিছিল যে অভিযুক্ত সবজালি, আছৰাফ আলী, মৰমুজ, মুক্তাৰ আৰু আন তিনিগৰাকী মহিলাই তেওঁৰ ঘৰলৈ অহা বাটত জেওৰা দি আছে।তেওঁ মাত দিয়াৰ লগে লগে অভিযুক্ত ছামেদ আৰু আনসকলে তালৈ আহি তেওঁক খন্তি আৰু লাঠিৰে মাৰপিট কৰে। তেওঁৰ মাত চিঞৰ-বাখৰ কৰাৰ লগে লগে তেওঁৰ পুত্র দুলাল, ছাইফুল, ফজৰুল, নজৰুল আৰু মাজুবুৰ তাত আহে। তেওঁৰ পুত্র দুলালক আছৰাফ আলী, ছামেদ, আৰাফ আলীয়ে খন্তি (চিপ্রাং)ৰে মাৰপিট কৰে। চিপ্রাঙৰ নালটো কাঠৰ আছিল। দুলালক মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু তাৰ পিছত গুৱাহাটীলৈ প্রেৰণ কৰে আৰু দুদিনৰ পিছত তেওঁৰ মৃত্যু হয়। জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ১৪ নং সাক্ষীয়ে উল্লেখ কৰে যে যিটো স্থানত এই পৰিঘটনা সংঘটিত হৈছিল সেই মাটিখিনি তেওঁৰ। সেই মাটিখিনি তেওঁ আৰু তেওঁৰ ভাতৃ আব্দুল হাকিমে ১৯৭৫ চনত এজন সুৰজ ডেকাৰ পৰা পঞ্জীয়নভুক্ত দলিলৰ জৰিয়তে ক্রয় কৰিছিল। ইয়াৰ পূৰ্বে সবজালীৰ পিতৃ সমৰ আলীয়ে ১৯৭৫ চনৰ দলিল নং ৯৬৮৬ৰ জৰিয়তে মাটি ক্রয় কৰিছিল বুলি প্রতিৰক্ষাই দিয়া উক্তি(suggestion) তেওঁ অস্বীকাৰ কৰে। উক্ত মাটি লৈ তেওঁ সবজালি, ৰহাম আলী আদিৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰত উপায়ুক্ত কাৰ্যালয়ত এম আৰ গোচৰ নং ৮৪/২০১৩ দাখিল কৰিছিল। ঘটনাস্থলীত ধনীয়া খেতি হোৱা বুলি কোৱা কথাটো তেওঁ অস্বীকাৰ কৰে। অভিযুক্ত সমদ আলীয়ে তেওঁক আক্রমণ কৰা বুলি তেওঁ উল্লেখ কৰে। সংকীৰ্ণ বাটটো মাছ ধৰা জল্লেৰে বন্ধ কৰি দিছিল। মাটি দখল কৰিবলৈ তেওঁ অভিযুক্তৰ বিৰুদ্ধে ভুৱা গোচৰ তৰিছিল বুলি তেওঁক দিয়া উক্তি(suggestion)ক তেওঁ অস্বীকাৰ কৰে।

তেওঁ আৰু তেওঁৰ ভাতৃদ্বয়ে দাখিল দেৱানী মামলা আদালতত চলি আছে।

XV. গোচৰীয়া পক্ষৰ ১৫ নং সাক্ষী তদন্তকাৰী বিষয়া বকুল বৰাই তেওঁৰ সাক্ষ্যত কয় যে  ৩০.১২.২০১১ তাৰিখে তেওঁ ঘটনাস্থলী ভ্ৰমণ কৰি ঘটনাস্থলীৰ মানচিত্ৰ আঁকিছিল। প্ৰদৰ্শক পি–৬ হৈছে উক্ত মানচিত্ৰ। অভিযুক্তক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰে। তেওঁ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু তদন্তৰ প্ৰতিবেদন সংগ্ৰহ কৰিছিল আৰু লগতে আঘাতৰ প্ৰতিবেদনও সংগ্ৰহ কৰিছিল। তেওঁ তদন্ত প্ৰায় সম্পূৰ্ণ কৰা বুলি উল্লেখ কৰে। এছ আই মিলন চন্দ্ৰ নাথে প্ৰদৰ্শক পি–৭ৰ জৰিয়তে অভিযোগপত্ৰ দাখিল কৰিছিল। জেৰাৰ সময়ত  গোচৰীয়া পক্ষৰ ১৫ নং সাক্ষীয়ে সেই প্ৰদৰ্শক পি–১ হৈছে সেই এজাহাৰ য'ত ১৯ জন অভিযুক্ত ব্যক্তিৰ নাম উল্লেখ কৰা হৈছে। অভিযোগনামাত ২৪ জন ব্যক্তিক অভিযুক্ত হিচাপে দেখুওৱা হৈছে। ৩০.১২.২০১১ তাৰিখে নিশা ১২.৩০ বজাত এই এজাহাৰ লাভ কৰা হয়। সাক্ষী ছাইফুল ইছলামে তেওঁৰ সাক্ষ্যত কোনে কাক আক্ৰমণ কৰিছিল সেই কথা উল্লেখ কৰা নাই। সাক্ষী ছামছুদ্দিনেও নিজৰ সাক্ষ্যত এই কথাও উল্লেখ কৰা নাই যে কিয় এই কাজিয়া সংঘটিত হৈছিল। তদন্তকাৰী বিষয়াজনে উপযুক্ত তদন্ত নকৰাৰ উক্তিক তেওঁ অস্বীকাৰ কৰে।

XVI. গোচৰীয়া পক্ষৰ ১৬ নং সাক্ষী শ্ৰী মিলন চন্দ্ৰ নাথ, গোচৰৰ আন এজন তদন্তকাৰী বিষয়াই সাক্ষ্যত কয় যে তেওঁ অভিযোগনামা দাখিল কৰে কাৰণ তদন্তৰ বেছিভাগেই ইতিমধ্যে শেষ হৈছে। প্ৰদৰ্শক পি–৭ হৈছে অভিযোগনামা আৰু প্ৰদৰ্শক পি–৭(i) তেওঁৰ স্বাক্ষৰ। জেৰাৰ সময়ত তেওঁ উল্লেখ কৰে যে তেওঁ কেৱল অভিযোগনামা দাখিল কৰিছিল। ঘটনা সংঘটিত হোৱাৰ সময়ত তেওঁ লাহোৰিঘাট থানাত নাছিল। এফআইআৰত মুঠ অভিযুক্তৰ সংখ্যা ১৯ বুলি দেখুওৱা হৈছে। ২৪ জন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হৈছিল। পাঁচজন অভিযুক্ত

ব্যক্তিৰ নাম অতিৰিক্তভাৱে অন্তৰ্ভুক্ত কৰা হৈছিল। দুলালুদ্দিনৰ পত্নী মাফিদাক ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬১ ধাৰাত পৰীক্ষা কৰা হোৱা নাছিল।

**<u>প্ৰতিৰক্ষা সাক্ষী</u>**

XVII. প্ৰতিৰক্ষা সাক্ষী নং ১ আৰাজ আলীয়ে তেওঁৰ সাক্ষ্যত কয় যে তেওঁ এই গোচৰৰ এজন অভিযুক্ত। ঘটাৰ দিনা ধাননি পথাৰৰ পৰা হুল্লা অহা শুনি তেওঁ তালৈ গ'ল। যি মাটিত এই ঘটনা সংঘটিত হৈছিল সেই মাটি সবজ আলী আৰু ৰহাম আলীৰ আছিল আৰু সেই মাটিত ধনীয়া খেতি হৈছিল। সেই মাটিত অভিযুক্তই পথ বনাবলৈ চেষ্টা চলাইছিল। ধনীয়া খেতিটো অভিযুক্ত সবজ আলিয়ে কৰিছিল আৰু আন লোকে সেই মাছ ধৰা জাল ব্যৱহাৰ কৰি মাটিৰ পশ্চিম দিশলৈ বেৰ লগোৱাৰ চেষ্টা কৰিছিল। এই কথাত ছামছুদ্দিন আৰু আনসকলে তেওঁলোকক মাৰপিট কৰিবলৈ ধৰিলে। বিচাৰ বিভাগৰ দ্বাৰা তেওঁৰ জেৰাৰ সময়ত ডি ডব্লিউ-১-এ উল্লেখ কৰিছে যে মাৰপিট দুয়োপক্ষৰ মাজত সংঘটিত হৈছিল। দুলালে তেওঁক তুলিবলৈ তালৈ অহা নাছিল আৰু মকবুলে আঘাত কৰা নাই বুলি বিচাৰ বিভাগৰ উক্তি(suggestion)ক তেওঁ অস্বীকাৰ কৰে। তেওঁ আৰু মিছাকৈয়ে সাক্ষ্য দিয়া বুলি বিচাৰ বিভাগৰ উক্তি(suggestion)ক অস্বীকাৰ কৰে।

XVIII. প্ৰতিৰক্ষা সাক্ষী নং ২ যি এই গোচৰৰ অভিযুক্তসকলৰ এজন, সাক্ষ্যত কয় যে যি মাটিৰ বাবে এই পৰিঘটনা সংঘটিত হৈছিল সেই মাটি তেওঁৰ আৰু উক্ত মাটিডোখৰ তেওঁৰ পিতৃয়ে ক্ৰয় কৰিছিল। পিতৃৰ মৃত্যুৰ পিছত তেওঁলোকৰ নামত মাটিখিনি নামজাৰী কৰা হয়। প্ৰতিৰক্ষা সাক্ষী নং ২নয়ে মাটি বিক্ৰী দলিল আৰু জামাবন্দিৰ কপি আদালতত দাখিল কৰে । প্ৰদৰ্শক-ক হৈছে জামাবন্দী কপি আৰু প্ৰদৰ্শক-খ হৈছে মাটি বিক্ৰী দলিল। মাটি প্ৰায় ২ বিঘা আছিল যত তেওঁ ধনীয়া খেতি কৰিছিল। ঘটনাৰ দিনা তেওঁ মাছ ধৰা জাল ব্যৱহাৰ কৰি খেতি

গৰুৰ পৰা ৰক্ষা কৰিবলৈ নিজৰ মাটিত বেৰ দিছিল। বেৰ দি থাকোঁতে ছামছুদ্দিনক মকবুল আদিৰ সৈতে তালৈ আহি বেৰ দিয়া কামত বাধা দিবলৈ চেষ্টা কৰে। ইক্ৰামুলে চাইকেলৰ শিকলিৰে আক্ৰমণ কৰিলে আৰু ফজৰুলে ডিঙিত এটা চৰ মাৰিলে। জেৰাৰ সময়ত তেওঁ উল্লেখ কৰে যে তেওঁৰ মাটিৰ ওপৰেৰে কোনো পথ নাই। লগতে তেওঁ এই উক্তি অস্বীকাৰ কৰে যে তেওঁ বেৰ দি থকাৰ সময়তে ছামছুদ্দিনে তেওঁৰ সম্পত্তিলৈ যোৱা পথটো বন্ধ নকৰিবলৈ অনুৰোধ জনাই তেওঁৰ ওচৰলৈ আহিছিল। তেওঁ এই উক্তিও অস্বীকাৰ কৰে যে প্ৰথমতে তেওঁ ছামছুদ্দিনক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছিল আৰু তেওঁক আক্ৰমণ কৰা দেখি পৰিয়ালৰ লোক আহিছিল আৰু তাৰ পিছত তেওঁলোকেও সকলোকে আক্ৰমণ কৰিছিল। তেওঁ মিছা কথা কোৱা বুলি অস্বীকাৰ কৰে।

XIX. প্ৰতিৰক্ষা সাক্ষী ৩য়ে সাক্ষ্যত কয় যে অভিযুক্ত ছমেদ আলী তেওঁৰ লগত আছিল যেতিয়া এই কাণ্ড সংঘটিত হৈছিল। জেৰাৰ সময়ত তেওঁ কয় যে তেওঁ ঘটনাৰ তাৰিখ স্পষ্টকৈ মনত পেলাব নোৱাৰে। তেওঁ এই উক্তি অস্বীকাৰ কৰে যে ৩০.১১.২০১১ তাৰিখে কোনো ধৰণৰ ঘটনা সংঘটিত হোৱা নাছিল। তেওঁৰ পৰৱৰ্তী জেৰাৰ নাকচ কৰা হয়।

XX. প্ৰতিৰক্ষা সাক্ষী ৪ য়ে হুল্লা শুনি তেওঁ ঘটনা সংঘটিত হোৱা ঠাইলৈ আহিছিল বুলি সাক্ষ্য দিয়ে। ইক্ৰামুলে চাইকেল চেইনেৰে তেওঁৰ দেউতাকক মাৰপিট কৰা দেখে। জেৰাৰ সময়ত তেওঁ তেওঁলোকৰ মাটিত এটা পথ আছে যিটো আনফালে পথ হিচাপে ব্যৱহাৰ কৰিছিল আৰু সেই ক্ষোভত তেওঁলোকে তেওঁলোকক আক্ৰমণ কৰিছিল আৰু সেই কাণ্ডত দুলালৰ মৃত্যু হৈছিল আৰু অন্যান্য আঘাতপ্ৰাপ্ত হৈছিল বুলি কোৱা কথাটো অস্বীকাৰ কৰে।

৭) গোচৰৰ সাক্ষ্য-প্ৰমাণৰ পৰা, বিশেষকৈ পি ডব্লিউ-৩, পি ডব্লিউ-৫, পি ডব্লিউ-৬, পি ডব্লিউ-৭, পি ডব্লিউ-৮ৰ আৰু ডি ডব্লিউৰ সাক্ষ্যৰ পৰা এইটো সন্দেহৰ বাহিৰত প্ৰমাণিত হৈছে যে ৩০.১২.২০১১ তাৰিখে পুৱা প্ৰায় ৮.০০ বজাত ৰোজাগধুৱা গাঁৱৰ আপীলকাৰী, গোচৰীয়া আৰু মৃতকৰ ঘৰৰ ওচৰৰ ধাননি পথাৰত এই ঘটনা সংঘটিত হৈছিল।

৮) উল্লেখ কৰা সাক্ষীসকলৰ সাক্ষ্যৰ লগতে মৰণোত্তৰ পৰীক্ষা কৰা চিকিৎসক পি ডব্লিউ-১৩ৰ সাক্ষ্যৰ পৰা এই কথা প্ৰতিষ্ঠা কৰা হৈছে যে মৃতকৰ মৃত্যু হত্যা প্ৰকৃতিৰ আছিল। চুৰৎহালৰ প্ৰতিবেদন- প্ৰদৰ্শক-৩ আৰু মৰণোত্তৰ প্ৰতিবেদন- প্ৰদৰ্শক-৪ য়েও এনে তথ্য প্ৰতিষ্ঠা কৰে।

৯) প্ৰত্যক্ষদৰ্শী যথা পি ডব্লিউ-৩, পি ডব্লিউ-৪, পি ডব্লিউ-৫, পি ডব্লিউ-৭, পি ডব্লিউ-৮, পি ডব্লিউ-১০ আৰু পি ডব্লিউ-১২ৰ সাক্ষ্যই মৃতকৰ পৰিয়ালৰ আৰু আচামীগণৰ মাজত আচামীগণৰ ধান খেতিৰ ভিতৰত পথত বেৰা দিয়াক লৈ কাজিয়া হোৱা বুলি দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰে ।

১০) প্ৰতিৰক্ষাইও এনে কাজিয়াক অস্বীকাৰ কৰা নাই, বৰঞ্চ ইতিবাচক প্ৰমাণ দাঙি ধৰিছিল যে মাটিখিনি তেওঁলোকৰ আৰু গোচৰীয়া পক্ষৰ পৰা আগ্ৰাসন হৈছিল। স্বতন্ত্ৰ প্ৰত্যক্ষদৰ্শী পি ডব্লিউ-৫য়ে স্পষ্টভাৱে প্ৰতিষ্ঠা কৰিছে যে দুয়োটা পক্ষই এই কাজিয়াত জড়িত আছিল। এনে সাক্ষ্য জেৰাৰ সময়ত পুনৰ দৃঢ়তা প্ৰদান কৰা হৈছিল।

১১) এই আদালতৰ বিবেচনাৰ প্ৰয়োজন হ'ব পৰা প্ৰশ্নটো হ'ল অভিযুক্ত আপীলকাৰীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাই এটা মুহূৰ্তৰ এই ঘটনাকৰিছিল নেকি আৰু পূৰ্ব-বিবেচনা অবিহনে কাম কৰিছিল নেকি?

১২) ভাৰতীয় দণ্ডবিধি আইনৰ ৩০০ ধাৰাত ‘দোষাৰ্হ নৰবধ’ ব্যাখ্যা কৰা হৈছে।" ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০০ৰ ব্যতিক্ৰম ৪ অনুসৰি দোষাৰ্হ নৰবধ হত্যা নহয় যদিহে এইটো পূৰ্ব-পৰিকল্পনা বিনা হঠাতে হোৱা এখন কাজিয়াৰ ফলত তীব্ৰ আবেগৰ বশৱৰ্তী হৈ হঠাতে মাৰামাৰি কৰি আৰু অপৰাধীজনৰ দ্বাৰা অন্যায় সুবিধা গ্ৰহণ নকৰাকৈ বা নিষ্ঠুৰ বা অসাধাৰণ ধৰণে কাৰ্য্য নকৰাকৈ কৰা হয়।

১৩) নথিত উপলব্ধ সাক্ষ্য-প্ৰমান আৰু ওপৰত লিপিবদ্ধ কৰা সিদ্ধান্তসমূহ পৰ্যালোচনা কৰাৰ পিছত, আৰু ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০০, বিশেষকৈ ব্যতিক্ৰম ৪ বিবেচনা কৰাৰ পিছত এই আদালতে বিশ্বাস কৰে যে বৰ্তমানৰ গোচৰটো অভিযুক্ত/আপিলকাৰীৰ সম্পৰ্কত ব্যতিক্ৰম ৪ৰ অধীনত পৰে।

১৪) এই গোচৰটোত ওপৰত লিপিবদ্ধ কৰা প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য পৰা স্পষ্ট প্ৰমাণ পোৱা গৈছে, বিশেষকৈ, আহত সাক্ষী পি ডব্লিউ-৩, পি ডব্লিউ-৪, পি ডব্লিউ-৭, পি ডব্লিউ-৮ যে অভিযুক্ত ছমেদ আলীয়ে মৃতকৰ মূৰত মাৰাত্মক আঘাত কৰিছিল আৰু এইটো যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰমাণিত হৈছে। যদিও অস্ত্ৰৰ ক্ষেত্ৰত কিছুমান অমিল আছে যে বৰ্তমানৰ ক্ষেত্ৰত চিপ্ৰং বা খুন্তি বা লাঠি মাৰাত্মক হ’ব নোৱাৰে, বিশেষকৈ যেতিয়া প্ৰত্যক্ষদৰ্শীৰ প্ৰত্যক্ষ প্ৰমাণ থাকে যে মাৰাত্মক আঘাতটো এট ভোটা অস্ত্ৰৰে আপীলকাৰীৰ বাহিৰে আন কোনোৱেই কৰা নাছিল আৰু এনে প্ৰমাণ চিকিৎসকৰ সাক্ষ্যৰ দ্বাৰাও প্ৰমাণিত হৈছে। যেতিয়া বিচাৰ পক্ষৰ গোচৰটো প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি কৰা হয় তেতিয়া লাঠি হওক বা কাঠৰ নাল থকা খুন্তি/চিপ্ৰাং হওক সৰু সৰু অমিল বিচাৰ গোচৰৰ বাবে মাৰাত্মক নহ’ব। এইটো এটা স্বীকৃতিপ্ৰাপ্ত নীতি যে বিভিন্ন সাক্ষীৰ আখ্যানৰ মাজত কিছু অমিল থকাটো নিশ্চিত, যেতিয়া তেওঁলোকে বিতংভাৱে কথা কয় আৰু যদিহে

বৈপৰীত্যবোৰ বস্তুগত মাত্ৰাৰ নহয়, তেন্তে একেখিনিকে ব্যৱহাৰ কৰি সমগ্ৰ প্ৰমাণবোৰ পেলাই দিব নালাগে।

১৫) এই গোচৰটোত, অস্ত্ৰৰ প্ৰকৃতি সম্পৰ্কে থকা পাৰ্থক্যবোৰ মাৰাত্মক হ'ব নোৱাৰে, বিশেষকৈ এই কাৰণে যে ইয়াত আপীলকাৰীয়ে মাৰাত্মক আঘাত কৰাৰ তথ্যৰ সন্দৰ্ভত চাক্ষুষ সাক্ষীৰ সাক্ষ্যৰ মাজত কোনো পাৰ্থক্য নাই।

১৬) উপৰোক্ত বিষয়সমূহৰ প্ৰতি লক্ষ্য ৰাখি, শ্ৰীযুত শ্বেইখৰ এনে যুক্তিবোৰে এই আদালতৰ অনুগ্ৰহ লাভ নকৰে আৰু সেই অনুসৰি ইয়াক নাকচ কৰা হয়।

১৭) নথিত উপলব্ধ সাক্ষ্য-প্ৰমাণ ৰ ওপৰত আধাৰিত কৰি, বিশেষকৈ দুয়োটা পক্ষই এই সংঘৰ্ষত জড়িত আছিল বুলি প্ৰমাণিত তথ্যৰ ভিত্তিত, গোচৰীয়া পক্ষটোৱেই হৈছে গোচৰটোৰ আক্ৰমণকাৰী। যিহেতু সাক্ষ্য-প্ৰমাণ নিঃসন্দেহে উপলব্ধ যে মৃতককে ধৰি গোচৰীয়া পক্ষই অভিযুক্ত পক্ষৰ ধান পথাৰলৈ গৈছিল যিহেতু বিচাৰ আদালতেও এই সিদ্ধান্তত উপনীত হৈছিল যে গোচৰীয়া পক্ষটো আক্ৰমণকাৰী আছিল আৰু মাটি দখলকাৰীসকলৰ অধিকাৰ উলংঘন কৰাৰ উদ্দেশ্যেৰে ঘটনাৰ স্থানলৈ গৈছিল। এই মাৰাত্মক আঘাত এবাৰে কৰা হৈছিল আৰু এইটো প্ৰমাণিত হৈছে যে বিবাদ কৰা দুয়োটা পক্ষই আহত হৈছিল। সেয়েহে, সম্পূৰ্ণ প্ৰমাণৰ ক্ষেত্ৰত এই আদালতৰ অভিমত হৈছে যে মৃত পক্ষৰ দ্বাৰা উত্তেজিত হৈ অভিযুক্ত আবেদনকাৰীয়ে নিজৰ নিয়ন্ত্ৰণ হেৰুৱাই এটা মুহূৰ্তত আঘাতটো কৰিছিল আৰু ইয়াত কোনো পূৰ্ব-পৰিকল্পনা নাছিল।

১৮) নথিত উপলব্ধ সাক্ষ্য-প্ৰমাণৰ পৰা এই আদালতৰ এইটোও বিবেচনা কৰা মতামত যে এইটো কব নোৱাৰি যে অভিযুক্তজনৰ এই বিষয়ে জ্ঞান নাছিল যে তেওঁ অস্ত্ৰটো দ্বাৰা কৰা মাৰাত্মক আঘাতটোৱে মৃতকজনৰ মৃত্যু ঘটাব পাৰে,

অৱশ্যে, নথিপত্রসমূহে এইটোও প্ৰমাণ কৰে যে অভিযুক্ত আপীলকাৰীজনৰ মৃতকজনৰ মৃত্যু ঘটাব পৰা উদ্দেশ্য নাছিল।

১৯) ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে এই আদালতৰ বিবেচিত মতামত যে অভিযুক্তৰ গোচৰটো ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৪ (দ্বিতীয় অংশ)ৰ অধীনত আহিব। সেই অনুসৰি ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৪ (প্ৰথম খণ্ড)ৰ অধীনত আপীলকাৰীৰ দোষী সাব্যস্ত হোৱাটো বাতিল কৰি আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৪ (দ্বিতীয় খণ্ড)ৰ অধীনত দোষী সাব্যস্ত কৰা হয় আৰু সেই অনুসৰি অভিযুক্ত অৰ্থাৎ ছমেদ আলীক ৭ বছৰৰ কঠোৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয়। বিদ্বান বিচাৰ আদালতৰ দ্বাৰা আৰোপ কৰা জৰিমনা অৱশ্যে অপৰিৱৰ্তিত হৈ থাকিব।। ইতিমধ্যে আপীলকাৰীয়ে ইতিমধ্যে জেলত অতিবাহিত কাৰাদণ্ডৰ সময়সীমা উক্ত ৭ বছৰৰ কঠোৰ কাৰাদণ্ডৰ পৰা হ্ৰাস কৰা হব।

২০) আপীলৰ আংশিকভাৱে মঞ্জুৰ কৰা হ'ল।

২১) বিচাৰ অদালতৰ নথি ঘূৰাই পঠাওক।

ন্যায়াধীশ

মোকাবিলা সহায়ক

অনুবাদক: মোবাৰক হুছাইন, জ্যেষ্ঠ অনুবাদক
গুৱাহাটী উচ্চ ন্যায়ালয়